# অসম সাহিত্য সভাৰ সৃষ্টিৰ চ'ৰাঘৰৰ অনুষ্ঠানত অৰূপা পটংগীয়া কলিতা

# সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত আধিপত্যবাদ বাদ দি গণতন্ত্ৰৰ প্ৰমূল্যবোধক অগ্ৰাধিকাৰ দিলে অসমীয়া ভাষা অধিক শক্তিশালী হ'ব




সভাৰ সভাপতি, ড° অৰূপা পটংগীয়া কলিতা (একেবাৰে সোঁপিনে) আৰু অন্যান্য বিশিষ্ট ব্যক্তিয়ে 'অসমীয়া লিপিৰ ক্ৰমবিকাশ' গ্ৰন্থখন উন্মোচন কৰিছে। সভাপতিৰ বাঁওপিনে গ্ৰন্থখনৰ লিখক ভাস্কৰ বৰদলৈক দেখা গৈছে

সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত আধিপত্যবাদ বাদ দি গণতন্ত্ৰৰ প্ৰমূল্যবোধক আগ্ৰাধিকাৰ দিলে অসমীয়া ভাষা অধিক শক্তিশালী হ'ব। যোৱা ৭ মাৰ্চ তাৰিখে সভাৰ গুৱাহাটী কাৰ্যালয়ৰ ৰাধাগোবিন্দ বৰুৱা সভাকক্ষত অনুষ্ঠিত অসম সাহিত্য সভাৰ 'সৃষ্টিৰ চ'ৰাঘৰ' অনুষ্ঠানত এইমাহৰ অতিথি হিচাপে অংশগ্ৰহণ কৰি বিশিষ্ট লেখিকা অধ্যাপিকা অৰূপা পটংগীয়া কলিতাই এইদৰে কয়। ভাষণ প্ৰসংগত লেখিকাগৰাকীয়ে কয় যে লেখা এটা আৰম্ভ কৰাৰ পৰা শেষ হোৱালৈকে মই বুকুত একুৰা জুই কঢ়িয়াই লৈ ফুৰোঁ। যেতিয়াই লেখাৰ কাম সম্পূৰ্ণ হয় তেতিয়াই বুকুৰ মাজৰ সেই জুইকুৰা নিৰ্বাপিত হয়, লেখিকাই কয়।

অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এই অনুষ্ঠানত লেখক ভাস্কৰ বৰদলৈৰ 'অসমীয়া লিপিৰ ক্ৰমবিকাশ' নামৰ এখন গ্ৰন্থ উন্মোচন কৰে সভাপতি ড° শইকীয়াই। উন্মোচন কৰি দিয়া ভাষণত ড° শইকীয়াই অসমীয়া ভাষা সাহিত্যৰ বাবে এখন অতি গুৰুত্বপূৰ্ণ গ্ৰন্থ হিচাপে পৰিগণিত হোৱাৰ নিশ্চিত সম্ভাৱনা আছে বুলি উল্লেখ কৰে। ভাষণ প্ৰসংগত ড° শইকীয়াই কয়—অসম সাহিত্য সভাই প্ৰকাশ কৰা ভাস্কৰ বৰদলৈৰ এই গ্ৰন্থত লেখকে অসমীয়া লিপিৰ ক্ৰমবিকাশ আৰু স্বকীয়তা সম্পৰ্কে বিজ্ঞানসন্মত প্ৰামাণিক তথ্য সম্বলিত আলোচনা আগবঢ়াইছে। বৰদলৈয়ে একনিষ্ঠ আৰু কষ্টসাধ্য অধ্যয়নৰ দ্বাৰা ১৮৬ খন শিলালিপি আৰু তামৰ ফলিৰ পাঠোদ্ধাৰ কৰি অসমীয়া লিপিৰ ক্ৰমবিকাশ খ্ৰীষ্টপূৰ্ব তৃতীয় শতিকাৰ পৰা আধুনিক সময়লৈকে প্ৰামাণিক তথ্য আগবঢ়াইছে। অসমীয়া লিপি সম্পৰ্কে এনে তথ্য সম্বলিত অধ্যয়ন এতিয়ালৈকে হোৱা নাই বুলি ক'ব পাৰি। গতিকে, গ্ৰন্থখনে অসমীয়া লিপিৰ ঐতিহাসিক ক্ৰমবিকাশৰ প্ৰমাণ জগতত প্ৰতিষ্ঠা কৰিব আৰু এইক্ষেত্ৰত নতুন প্ৰজন্মক অধিক গৱেষণা কৰিবলৈ উদ্‌গণি যোগাব বুলি আশা কৰিব পাৰি। লগতে, এই গ্ৰন্থৰ তথ্য আৰু সমীক্ষাৰ আধাৰত অসমীয়া লিপিয়ে ইউনিক'ডৰ স্বীকৃতি প্ৰাপ্তিত সহায়ক হ'ব বুলিও আশা কৰিব পাৰি।

'চিৰ চেনেহী মোৰ ভাষা জননী...' গীতেৰে আৰম্ভ হোৱা এই অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক তথা বিশিষ্ট সাহিত্য-গৱেষক ড° অৰ্পণা কোঁৱৰৰ 'অসমত ভাষাৰ অধ্যয়ন' উন্মোচন কৰি সভাৰ সভাপতি কয় —এই গ্ৰন্থত লেখিকাই অসমৰ ভাষাসমূহৰ পৰিচয় আগবঢ়োৱাৰ লগতে বৰ্তমান অসমৰ ভাষাসমূহৰ ভাষিক স্থিতি সম্পৰ্কে বিশ্লেষণ আগবঢ়াইছে। লেখিকা ড° কোঁৱৰে আৰম্ভণিৰ পৰা অসমীয়া ভাষাৰ লগতে অসমৰ জনগোষ্ঠীয় ভাষাসমূহৰ ব্যাকৰণ আৰু অভিধান চৰ্চাৰ ইতিহাস, গতি-প্ৰকৃতি সম্পৰ্কে তথ্য সমৃদ্ধ ছবি দাঙি ধৰিবলৈ চেষ্টা কৰিছে। এই গ্ৰন্থখনে অসমত ভাষা অধ্যয়নৰ সমীক্ষা আৰু গৱেষণাৰ দিশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি সভাপতিয়ে আশা কৰিছে।

সচিব চন্দন শৰ্মাই আঁত ধৰা আৰু প্ৰকাশন উপ-সমিতিৰ আহ্বায়ক দেৱজিৎ বৰাই শলাগ জ্ঞাপন কৰা অনুষ্ঠানত ড° ভাস্কৰজ্যোতি শৰ্মা, গ্ৰন্থ প্ৰণেতা ভাস্কৰ বৰদলৈ, অশোক শৰ্মা, লীনা শৰ্মা, মনজিৎ সিং, ডাঃ অপূৰ্ব কুমাৰ শইকীয়া, কামৰূপ মহানগৰ জিলা সাহিত্য সভাৰ সভাপতি দাসো কলিতা, ডাঃ মৃন্ময় নাথকে ধৰি বহুসংখ্যক লোকে আজিৰ সৃষ্টিৰ চ'ৰাঘৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে।

০০০০